**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***000000***

১। যোৱা ৮ ছেপ্তেম্বৰৰ পৰা নেপালৰ নৱপ্ৰজন্মই আৰম্ভ কৰা চৰকাৰবিৰোধী বিক্ষোভ আজি তৃতীয় দিনা ভালেখিনি শাম কাটিছে।

২। অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট কমিটীয়ে আজি প্ৰায় ৩ হাজাৰ ১৬৯ কোটি টকা ব্যয়সাপেক্ষ বিহাৰ, ঝাৰখণ্ড আৰু পশ্চিম বংগৰ ৰে'লপথ প্ৰকল্পত অনুমোদন জনায়।

৩। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ' আৰু তেওঁৰ চৰকাৰ বিৰোধী প্ৰতিবাদত দেশখনৰ ৰাজপথ উত্তাল হৈ পৰিছে।

৪। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ঘনিষ্ঠ মিত্ৰ আৰু স্বাভাৱিক সহযোগী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। **আৰু**

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি খন্তেক সময় পাছতে ভাৰতে নিজৰ প্ৰথমখন খেলত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000000

যোৱা ৮ ছেপ্তেম্বৰৰ পৰা নেপালৰ নৱপ্ৰজন্মই আৰম্ভ কৰা চৰকাৰবিৰোধী বিক্ষোভ আজি তৃতীয় দিনা ভালেখিনি শাম কাটিছে। নেপালৰ সেনাবাহিনীয়ে ইতিমধ্যে বিভিন্ন স্থানৰ পৰা লুট কৰা ৩৩ লাখ ৭০ হাজাৰৰো অধিক টকা জব্দ কৰাৰ লগতে লুটপাত কৰা ভালেমান অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰিছে। তদুপৰি দাদেলধোৰাৰ কাৰাগাৰৰ পৰা পলায়ন কৰা ২৬জন কয়দীক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। সেনাবাহিনীয়ে দেশখনৰ আইন-শৃংখলা ৰক্ষাৰ দায়িত্ব লোৱাৰ পাছত পৰিস্থিতিৰ উন্নতি ঘটিছে যদিও দেশখনৰ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ পদত্যাগৰ পাছত সৃষ্টি হোৱা অস্থিৰতা অব্যাহত আছে। সেনাবাহিনীয়ে হিংসাত্মক কাৰ্যকলাপত জড়িত ২৭জন লোকক আটক কৰিছে। কাঠমাণ্ডুৰ ত্ৰিভূৱন আন্তৰ্জাতিক বিমান বন্দৰ আজি পুনৰ মুকলি কৰা হৈছে। যোৱা দুদিনৰ হিংসাত্মক ঘটনাত নিহতৰ সংখ্যা ২৫জনলৈ বৃদ্ধি পাইছে আৰু প্ৰায় ৬০০ লোক আহত হৈছে।

নেপাল চৰকাৰৰ মুখ্য সচিব একনাৰায়ণ আৰিয়ালে আজি উচ্চপদস্থ বিষয়াসকলৰ সৈতে দেশখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সংবাদ সংস্থাৰ বাতৰি অনুসৰি প্ৰতিবাদকাৰীসকলে নেপালৰ উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কীৰ নাম দেশখনৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে প্ৰস্তাৱ কৰিছে।

00000000

নেপালত উদ্ভৱ হোৱা হিংসাত্মক প্ৰতিবাদ আৰু সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত বিহাৰৰ ভাৰত-নেপাল সীমান্তত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। সীমান্তৰ বাণিজ্যিক তালাচী চকী আৰু অন্যান্য প্ৰৱেশ পথত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। বিহাৰ আৰক্ষী আৰু সশস্ত্ৰ সীমা বলে সীমান্তত যিকোনো ব্যক্তিৰ আহ-যাহৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। উল্লেখযোগ্য যে বিহাৰৰ ৭২৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-নেপাল সীমান্তই পূব চম্পাৰণ, পশ্চিম চম্পাৰণ, সীতামাৰি, মধুবানি, চুপল, আৰাড়িয়া আৰু কিষাণগঞ্জ নামৰ সাতখন জিলা স্পৰ্শ কৰে। দুয়োখন দেশৰে সীমান্তৰ এটা বৃহৎ অঞ্চল মুক্ত অৱস্থাত থকা হেতুকে

বিশেষ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। মধুবানি জিলাৰ আৰক্ষী অধীক্ষক যোগেন্দ্ৰ কুমাৰে কয় যে সীমান্তৰ সকলো পহৰা চকীক সতৰ্ক কৰি দিয়া হৈছে। আৰক্ষী অধীক্ষকগৰাকীয়ে মধুবানিৰ সীমান্তৱৰ্তী অঞ্চলসমূহ পৰিদৰ্শন কৰে। পূব চম্পাৰণ জিলাৰ আৰক্ষী অধীক্ষকে জনায় যে সীমান্তৰ সকলো অঞ্চলতে সতৰ্কতাৰে আৰক্ষী আৰু সশস্ত্ৰ সীমা বলৰ জোৱানে তহল অব্যাহত ৰাখিছে। অস্থিৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নেপালৰ জনকপুৰ আৰু ভাৰতৰ জয়নগৰৰ মাজৰ ৰে'ল সেৱা সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। নেপাল কৰ্তৃপক্ষৰ অনুৰোধত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই ৰেলসেৱা স্থগিত ৰখা হ'ব।

oooooooo

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাগৰিকসকলক পৰিস্থিতি সুস্থিৰ নোহোৱালৈকে নেপাল ভ্ৰমণ এৰাই চলিবলৈ পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে এলানি পৰামৰ্শৰ জৰিয়তে নেপালত থকা ভাৰতীয় নাগৰিকসকলক বৰ্তমানৰ স্থানতে থাকিবলৈ, ঘৰৰ বাহিৰ নুলাবলৈ আৰু সতৰ্কতা বৰ্তাই ৰাখিবলৈ কৈছে। তেওঁলোকক লগতে সেই দেশৰ স্থানীয় কৰ্তৃপক্ষ তথা কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে জাৰি কৰা সুৰক্ষা পৰামৰ্শ  মানি চলিবলৈ পৰামৰ্শ দিয়া হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগ'কে ধৰি ভাৰতীয় বিমান পৰিবহন সংস্থাসমূহে নেপালৰ ৰাজধানী কাঠমাণ্ডুলৈ বিমান সেৱা সাময়িকভাৱে বন্ধ কৰিছে।

oooooooo

অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট কমিটীয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত হোৱা বৈঠকত প্ৰায় ৩ হাজাৰ ১৬৯ কোটি টকা ব্যয়সাপেক্ষ বিহাৰ, ঝাৰখণ্ড আৰু পশ্চিম বংগৰ ভাগলপুৰ-ডুমকা-ৰামপুৰহাট সংযোগী ১৭৭ কিলমিটাৰ দ্বৈত ৰে'লপথ প্ৰকল্পত অনুমোদন জনায়। কেবিনেটে বক্সাৰ, ভাগলপুৰ হাইস্পীড কৰিডৰৰ মোকামা-মুংগৰত চাৰি-লেনযুক্ত নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ প্ৰকল্পতো অনুমোদন জনায়। প্ৰকল্পটো সৰ্বমুঠ ৮২ কিলোমিটাৰ আৰু ইয়াত আনুমানিক ব্যয় ৪ হাজাৰ ৪৪৭ কোটি টকা ব্যয় হ'ব। বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ আগত কয় যে ইয়াৰ দ্বাৰা যাতায়ত ব্যৱস্থা সুচল হোৱাৰ লগতে ভাৰতীয় ৰে'লৰে বৰ্ধিত দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা প্ৰদান কৰিব। তেওঁ কয় যে বহু-পথযুক্ত ব্যৱস্থাৰ প্ৰস্তাৱে কাম-কাজ সহজ কৰি তোলাৰ লগতে যান-জঁট হ্ৰাস কৰিব আৰু ভাৰতীয় ৰে'লৰ আন্তঃগাঁথনি উন্নত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এই প্ৰকল্পসমূহ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নৱ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে মিল আছে, যিয়ে অঞ্চলটোৰ জনসাধাৰণক সৰ্বাঙ্গীন উন্নয়নৰ মাধ্যমেৰে আত্ম-নিৰ্ভৰ কৰি কৰ্মসংস্থাপন বৃদ্ধি কৰিব।

oooooooo

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ' আৰু তেওঁৰ চৰকাৰ বিৰোধী প্ৰতিবাদত দেশখনৰ ৰাজপথ উত্তাল হৈ পৰিছে। ছেবাষ্টিয়ান লেক্ৰ'নক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়াৰ পাছতে ফ্ৰাসৰ জনসাধাৰণে অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰিছে। ফ্ৰান্স প্ৰশাসনে এতিয়ালৈকে ২০০ৰো অধিক প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়া পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দেশখনৰ প্ৰতিখন চহৰত প্ৰায় ৮০ হাজাৰ আৰক্ষী বিষয়া নিয়োগ কৰা হৈছে যদিও পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই। প্ৰতিবাদকাৰীয়ে ৰাজপথত অগ্নিসংযোগ কৰি বিক্ষোভ প্ৰদৰ্শন কৰিছে। পেৰিচ আৰু অন্যান্য চহৰত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত হোৱা সংঘৰ্ষৰ ফলত যথেষ্ট ক্ষতিসাধন হৈছে। ফ্ৰান্সৰ ৰাজধানী চহৰত প্ৰতিবাদকাৰীয়ে এখন যাত্ৰীবাহী বাছত অগ্নিসংযোগ কৰাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰ ক্ষতিগ্ৰস্ত হোৱাৰ ফলত ৰে'লসেৱাও বন্ধ হৈ পৰিছে।

oooooooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ঘনিষ্ঠ মিত্ৰ আৰু স্বাভাৱিক সহযোগী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে উভয় দেশৰ মাজৰ বাণিজ্যিক আলোচনাই ভাৰত-আমেৰিকা সহযোগিতা অপৰিসীম সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। তেওঁ কয় যে দুয়ো পক্ষৰ দলে শীঘ্ৰে আলোচনা সমাপ্ত কৰাৰ বাবে কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ বাবে উজ্বল আৰু সমৃদ্ধিশালী ভৱিষ্যৎ সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ সৈতে কাম কৰাৰ সুযোগ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতে উভয় দেশৰ মাজৰ বাণিজ্যিক বাধা দূৰ কৰাৰ বাবে আলোচনা চলাই যাব।

oooooooo

শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ সামগ্ৰী আৰু সেৱা কৰৰ হাৰ পৰিৱৰ্তন কৰাৰ পাছত প্ৰস্তুতকাৰী সংস্থা আৰু আমদানিকাৰীসকলক ৩১ ডিচেম্বৰলৈকে বিক্ৰী নোহোৱা সামগ্ৰীৰ সৰ্বোচ্চ খুচুৰা মূল্য অৰ্থাৎ এম আৰ পি সংশোধন কৰাৰ অনুমতি দিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা অধিসূচনা অনুসৰি কোম্পানীসমূহে ষ্টাম্পিং, ষ্টীকাৰ আৰু অনলাইন প্ৰিণ্টিঙৰ জৰিয়তে পুৰণি সামগ্ৰীৰ সৰ্বোচ্চ খুচুৰা মূল্য সংশোধন কৰিব পাৰিব। কিন্তু পুৰণি মূল্য দৃশ্যমান হৈ থাকিব লাগিব আৰু কোনো ধৰণৰ অ'ভাৰ ৰাইটিং গ্ৰহণযোগ্য নহ'ব। চৰকাৰে স্পষ্ট কৰি দিছে যে কৰ বৃদ্ধি হ'লেহে এম আৰ পি বৃদ্ধি কৰিব পৰা যাব। আনহাতে, কৰ হ্ৰাসৰ ক্ষেত্ৰত সংশোধিত মূল্য হ্ৰাস কৰাৰ পৰিমাণতকৈ কম হ'ব নোৱাৰিব। প্ৰস্তুতকাৰী সংস্থাসমূহে বাতৰি কাকতত কমেও দুটা বিজ্ঞাপন প্ৰচাৰ কৰিব লাগিব আৰু মূল্য পৰীক্ষণৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিব লাগিব।

oooooooo

পাঞ্জাৱৰ বানাক্ৰান্ত জনসাধাৰণলৈ অধিক আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলি পাঞ্জাৱৰ ৰাজ্যপাল গোলাপ চান্দ কাটাৰিয়াই আশ্বাস দিছে। ৰাজ্যপালগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাঞ্জাৱৰ বাবে ধনৰ কোনো নাটনি নহ'ব বুলি উল্লেখ কৰিছে। ম'হালিত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে কোনো ৰাজ্যই কোনো দুৰ্যোগৰ সন্মুখীন হ'লে কেন্দ্ৰৰ তৰফৰ পৰা আৰ্থিক সকাহ প্ৰদান কৰাৰ উপযুক্ত ব্যৱস্থা আছে।

oooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। গ্ৰুপ-এৰ এই খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে আবু ধাবিত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আফগানিস্তানে হংকঙক ৯৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

গ্ৰুপ-বিৰ এই খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ বাবৰ হায়াতে সৰ্বাধিক ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়।

oooooooo

সমাপ্ত